**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-03-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

বিভিন্ন প্ৰযুক্তিগত আহিলাৰ বাবে ভাৰতত উৎপাদিত চিপসমূহে দেশৰ আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। তেওঁ লগতে ছেমি কণ্ডাক্টৰ উৎপাদনৰ ক্ষেত্ৰখনত ভাৰত শীঘ্ৰেই এটা গোলকীয় কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব বুলি দৃঢ়তাৰে প্ৰকাশ কৰে।

মৰিগাঁও জিলাৰ জাগীৰোডকে ধৰি দেশৰ ৩ ঠাইত প্ৰায় ১ লাখ ২৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ তিনিটা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে আজি এই কথা প্ৰকাশ কৰে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে আজি পুৱা চাৰে ১০ বজাত আধাৰশিলা স্থাপন কৰা আন দুটা প্ৰস্তাৱিত প্ৰকল্প গুজৰাটৰ ধোলেৰা আৰু সানন্দত নিৰ্মাণ কৰা হ'ব। উল্লেখযোগ্য যে, জাগীৰোডৰ হিন্দুস্তান কাগজ নিগমৰ অধীনস্থ পূৰ্বৰ নগাঁও কাগজ কল চৌহদত ২৭ হাজাৰ কোটি টকা ব্যয়েৰে স্থাপন কৰিবলগীয়া এই ছেমি কণ্ডাক্টৰ প্ৰকল্পটো হ'ব উত্তৰ-পূৰ্বাঞ্চলত ব্যক্তিগত খণ্ডৰ সৰ্ববৃহৎ পৰিমাণৰ পুঁজি ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্প। উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগ জগতৰ এটা মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'বলগীয়া এই প্ৰকল্পটোৰ প্ৰতিদিনে ৪ কোটি ৮০ লাখ চিপ প্ৰস্তুত কৰাৰ সামৰ্থ থাকিব বুলি প্ৰকাশ পাইছে। টাটা ইলেক্ট্ৰনিকছ প্ৰাইভেট লিমিটেডৰ উদ্যোগত পৰৱৰ্তী ১০০ দিনৰ ভিতৰত এই প্ৰকল্পটোৰ ছেমি কণ্ডাক্টৰ ইউনিটটোৰ নিৰ্মাণকাৰ্য আৰম্ভ হ'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কাৰ্যসূচীৰ পাছত সাংবাদিকৰ আগত কয় যে আন্দোলনৰ পৰিবৰ্তে আস্থা আৰু বিশ্বাসেৰে আগবঢ়াৰ ফলতে অসম ছেমি কণ্ডাক্টৰ উদ্যোগ স্থাপন হোৱা প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হৈছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ নিৰলস প্ৰচেষ্টা আৰু অসম তথা উত্তৰ-পূবক দক্ষিণ-পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে পৰিগণিত কৰোৱাৰ বাবে নিৰ্ধাৰণ কৰা লক্ষ্যৰ ফলতে এই ক্ষেত্ৰত অগ্ৰগতি দেখা গৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। অসমত এই বৃহৎ বিনিয়োগৰ বাবে প্ৰধানমন্ত্ৰীৰ উপৰি টাটা গোটলৈ মুখ্যমন্ত্ৰীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে। এই বিনিয়োগে আন বিনিয়োগকাৰীক অসমলৈ আমন্ত্ৰণৰ ইতিবাচক বাৰ্তা বহন কৰাৰ উপৰি অসমৰ অৰ্থনৈতিক বিকাশ আৰু নিয়োগ সৃষ্টিত অভূতপূৰ্ব ভূমিকা পালন কৰিব।

আজিৰ অনুষ্ঠানৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰীয়ে **ইণ্ডিয়াজ টেকেড** শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰি দেশৰ যুৱ সম্প্ৰদায়ক সম্বোধন কৰে। এই ব্যৱস্থাৰ জৰিয়তে যুৱ চামৰ বাবে কৰ্ম সংস্থাপনৰ সুযোগ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। এই কাৰ্যসূচীত দেশৰ সকলো কেন্দ্ৰীয় বিশ্ববিদ্যালয়, আই আই টি, এন আই টি, আই আই এম আদিকে ধৰি এহেজাৰ ৮১৪ টা প্ৰতিষ্ঠানৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০

ভাৰতীয় জনতা পাৰ্টিৰ যোৰহাট জিলা চাহ জনগোষ্ঠী মৰ্চাৰ উদ্যোগত আজি বোকাহোলাত সমষ্টিভিত্তিক কাৰ্যকৰ্তা সভা অনুষ্ঠিত হয়। তিতাবৰ মণ্ডল, তিতাবৰ গ্ৰাম্য মণ্ডল, উত্তৰ পূব তিতাবৰ মণ্ডল আৰু বৰহোলা মণ্ডলৰ সহযোগত অনুষ্ঠিত সভাখনত দলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০

মহিলাসকলক আৰ্থিক ক্ষেত্ৰত স্বাৱলম্বী কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে হাতত লোৱা মুখ্যমন্ত্ৰী উদ্যমিতা অভিযান আঁচনিৰ প্ৰাৰম্ভিক কাম-কাজ শিৱসাগৰ পৌৰসভা এলেকাত আৰম্ভ হৈছে। সেই অনুসৰি শিৱসাগৰ পৌৰসভাৰ অধীনৰ ১৪টা ৱাৰ্ডত যোৱা ৫ মাৰ্চ পৰ্যন্ত প্ৰায় দুই হাজাৰ ৯০০ প্ৰ-পত্ৰ বিতৰণ কৰা হয়। আবেদনকাৰী মহিলাসকলে কালি প্ৰ-প্ৰত্ৰসমূহ পূৰণ কৰি কৰ্তৃপক্ষৰ হাতত জমা দিয়ে। উল্লেখযোগ্য যে, মহিলাসকলে এই আঁচনিৰ জৰিয়তে দুটা কিস্তিত ৩৫ হাজাৰ টকা লাভ কৰিব। হিতাধিকাৰীসকলে দ্বিতীয় কিস্তিৰ ২৫ হাজাৰ টকাৰ ৫০ শতাংশ ৰাজসাহায্য হিচাপে লাভ কৰিব। এই দুটা পৰ্যায়ৰ পাছত মহিলাসকলে মাত্ৰ ৩ শতাংশ সুদৰ হাৰত ৫০ হাজাৰ টকা ঋণ লাভ কৰিব।

০০০০০০

বিকাশ যাত্ৰাৰ অংশ হিচাপে পি এম ডিভাইন আঁচনিৰ অধীনত মন্ত্ৰী অতুল বৰাই আজি গুৱাহাটীৰ কেইবাখনো বিদ্যালয়ৰ নতুন বিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰে। তেওঁ কেইবা কোটি টকা ব্যয়েৰে গণেশ মন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, গোপাল বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে আন কেইবাখনো বিদ্যালয়ৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰে। তেওঁ ভৱনসমূহৰ নিৰ্মাণ কাৰ্য নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পন্ন কৰিবলৈ বিষয়াসকলক আহ্বান জনায়। এই ভৱনসমূহে বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী তথা

শিক্ষাৰ্থীসকলক উৎসাহ যোগোৱাৰ লগতে মানৱ সম্পদ সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰিছে। আনহাতে, তেওঁ  আমচাং চাহ বাগিচাৰ দুৰ্গা মণ্ডপৰ চৌহদত জগন্নাথ সামূহিক ভৱন আৰু দক্ষতা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে।

০০০০০০

বিকাশ যাত্ৰাৰ অংশ হিচাপে  পি এম ডিভাইন আঁচনিৰ অধীনত মন্ত্ৰী অতুল বৰাই আজি গুৱাহাটীৰ কেইবাখনো বিদ্যালয়ৰ নতুন বিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰে। তেওঁ কেইবা কোটি টকা ব্যয়েৰে গণেশ মন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, গোপাল বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে আন কেইবাখনো বিদ্যালয়ৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰে। তেওঁ ভৱনসমূহৰ নিৰ্মাণ কাৰ্য নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পন্ন কৰিবলৈ বিষয়াসকলক আহ্বান জনায়। এই ভৱনসমূহে বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী তথা শিক্ষাৰ্থীসকলক উৎসাহ যোগোৱাৰ লগতে মানৱ সম্পদ সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰিছে। আনহাতে, তেওঁ  আমচাং চাহ বাগিচাৰ দুৰ্গা মণ্ডপৰ চৌহদত জগন্নাথ সামূহিক ভৱন আৰু দক্ষতা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে।

০০০০০০

**সমাপ্ত**